জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৫৮/২০২০

# বিশিষ্ট সাহিত্যিক ধৰণীধৰ ওৱাৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২১ আগষ্ট ঃ** বিশিষ্ট সাহিত্যিক ধৰণীধৰ ওৱাৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ধৰণীধৰ ওৱাৰীয়ে আমাৰ সামাজিক আৰু সাহিত্য জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। সাহিত্য একাদেমী বঁটা প্ৰাপক প্ৰয়াত ওৱাৰীয়ে বড়ো ভাষা-সাহিত্যৰ বিকাশৰ ক্ষেত্ৰটো অনবদ্য অৱদান আগবঢ়াই গৈছে। ৰাজ্য চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ প্ৰয়াত ওৱাৰীয়ে এগৰাকী শিক্ষাবিদ হিচাপেও ৰাজ্যখনৰ বিদ্যায়তনিক আৰু বৌদ্ধিক দিশলৈ যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। এই গৰাকী বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদৰ বিয়োগ আমাৰ শৈক্ষিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ধৰণীধৰ ওৱাৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২১/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in